# REGIONAL NEWS UNIT
# ALL INDIA RADIO, GUWAHATI

0000000000

Date : 07-10-2023
Time : 1715 Hrs.

০০০০০০০

ৰাজ্য চৰকাৰৰ ১ লাখ নিযুক্তি প্ৰক্ৰিয়াৰ অংশস্বৰূপে আজি ৰাজ্যৰ শিক্ষা বিভাগৰ বিভিন্ন সঞ্চালকালয়ৰ অধীনত ৩১৮ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শিক্ষা উপদেষ্টা ননী গোপাল মহন্তকে ধৰি অন্যান্য শিক্ষা বিষয়াসকলৰ উপস্থিতিত গুৱাহাটীৰ মাছখোৱাৰ সাংস্কৃতিক প্ৰকল্পত প্ৰাৰ্থীসকলক নিযুক্তি পত্ৰ প্ৰদান কৰে। এই নৱনিযুক্ত প্ৰাৰ্থীসকলৰ ভিতৰত ২৪১ গৰাকী দিব্যাংগ প্ৰাৰ্থীয়ে প্ৰাথমিক শিক্ষা বিভাগত, ২৭ গৰাকী প্ৰাৰ্থীয়ে উচ্চ শিক্ষা বিভাগত সহকাৰী অধ্যাপক আৰু অন্যান্য পদত নিযুক্তি লাভ কৰাৰ লগতে আন ৫০ গৰাকী প্ৰাৰ্থীয়ে ৰাজ্যিক, শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ বিভিন্ন পদত নিযুক্তি পত্ৰ লাভ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি ডাঃ পেগুৱে নৱনিযুক্তি প্ৰাৰ্থীসকলক নিষ্ঠা আৰু সততাৰে দায়িত্ব পালন কৰি দেশ, জাতি আৰু মানৱ সমাজৰ প্ৰতি সেৱা আগবঢ়াবলৈ আহ্বান জনায়। তেখেতে লগতে কয় যে, চৰকাৰে ১ লাখ নিযুক্তিৰ লক্ষ্য পূৰণৰ দিশে অগ্ৰসৰ হৈছে। ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰা দিনৰে পৰা বৰ্তমানলৈকে কেৱল শিক্ষা বিভাগতে ৩০ হাজাৰ ৫৩৫ গৰাকী শিক্ষকে নিযুক্তি পোৱা বুলি মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। ভাষণ প্ৰসংগত ডাঃ পেগুৱে শীঘ্ৰেই শিক্ষা বিভাগৰ পুনৰ প্ৰায় ১৩ হাজাৰ চাকৰিৰ বিজ্ঞাপন প্ৰকাশ পাব বুলি উল্লেখ কৰে। এই প্ৰসংগত মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, চৰকাৰে অহা দুবছৰলৈ টেট অনুষ্ঠিত নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেয়েহে নিম্ন আৰু উচ্চ প্ৰাথমিকৰ শিক্ষক পদত চি-টেট উত্তীৰ্ণ প্ৰাৰ্থীসকলেও আৱেদন কৰিব পাৰিব। একেদৰে হাইস্কুল আৰু উচ্চতৰ মাধ্যমিকৰ শিক্ষক পদৰ বাবেও সুকীয়াকৈ টেট অনুষ্ঠিত নহয়। ইয়াৰ পৰিৱৰ্তে চৰকাৰে টেট তথা নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰিব। ইয়াৰ ফলত খালী থকা পদৰ অনুপাতেহে প্ৰাৰ্থী উত্তীৰ্ণ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

আনহাতে শিক্ষা বিভাগত গ্ৰহণ কৰা বিভিন্ন সংস্কাৰমূলক পদক্ষেপৰ সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। এই সন্দৰ্ভত ডাঃ পেগুৱে কয় যে, সমগ্ৰ শিক্ষা ব্যৱস্থাটোক ডিজিটেল কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। ইয়াৰ অংশস্বৰূপে আৰম্ভ কৰা শিক্ষাসেঁতু এপৰ জৰিয়তে বিদ্যালয়ৰ সামগ্ৰীক ব্যৱস্থা, তথ্য আদি নিৰীক্ষণত থাকিব বুলি তেখেতে মতপোষন কৰে।

০০০০০০০

সামগ্ৰী আৰু সেৱা কৰ অৰ্থাৎ ৫২ সংখ্যক জি এছ্ টি পৰিষদৰ বৈঠকখন আজি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ অধ্যক্ষতাত নতুন দিল্লীত অনুষ্ঠিত হয়। এই বৈঠকত কেন্দ্ৰীয় বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধুৰীৰ উপৰি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিত্ত মন্ত্ৰীসকলকে ধৰি কেইবাগৰাকী জ্যেষ্ঠ বিষয়াই অংশগ্ৰহণ কৰে। বৈঠকৰ পাছত সাংবাদিকৰ আগত বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে, এই বৈঠকত জি এছ্ টি আপিল ন্যায়াধীকৰণ, মিলেট আৰু গুৰত জি এছ্ টি আৰোপকৰণকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেঁও কয় যে জি এছ্ টি পৰিষদে কুহিয়াৰ কৃষককলক উপকৃত কৰিব পৰাকৈ গুৰৰ ওপৰত জি এছ্ টি পূৰ্বৰ ২৮ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰাৰ সিদ্ধান্ত লৈছে। আনহাতে, ৭০ শতাংশ মিলেট থকা আটাত পেকেজিঙৰ পূৰ্বে ক্ৰয় কৰিলে কোনো ধৰণৰ জি এছ্ টি দিব নালাগিব বুলি সিদ্ধান্ত লোৱা হৈছে।

আনহাতে, পেকেজিং আৰু লেবেল লগোৱাৰ পাছত ৫ শতাংশ জি এছ্ টি আৰোপ কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ইপিনে, জি এছ্ টি আপিল ন্যায়াধীকৰণৰ সংশোধনীৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে, অধ্যক্ষৰ বয়সৰ উচ্চ সীমা ৭০ বছৰলৈ আৰু সদস্যসকলৰ বয়সৰ সীমা ৬৭ বছৰলৈ বৃদ্ধি কৰা হৈছে।

০০০০০০০

অসম শক্তি বিতৰণ কোম্পানীৰ বঙাইগাঁও জিলাৰ দ্বিতীয় বৈদ্যুতিক উপ সংমণ্ডলে কাইলৈ অঞ্চলটোত বিদ্যুৎ যোগান ব্যাহত থাকিব বুলি জাননী জাৰি কৰিছে। এই সন্দৰ্ভত মহকুমা অভিযন্তাই জানিবলৈ দিয়া অনুসৰি কাইলৈ কাজলগাঁও আৰু শাথাইবাৰী অঞ্চলত ৩৩ কিলো ভল্ট ফিডাৰৰ মেৰামতিৰ কাম কৰা হ'ব। সেয়েহে অঞ্চলটোত পুৱা ৬ বজাৰ পৰা ৰাতিপুৱা ৯ বজালৈকে ৩ ঘণ্টাৰ বাবে বিদ্যুৎ যোগান বন্ধ থাকিব।

০০০০০০০

ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙে আজি মংগন জিলাৰ নগাত দুৰ্যোগ ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰাৰ লগতে প্ৰায় ২০০ জন লোক থকা সাহায্য শিবিৰটো পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে শিবিৰটোত থকা লোকসকলক সম্পূৰ্ণ সমৰ্থন আৰু সহায়ৰ আশ্বাস দিয়ে। তেওঁ লগতে জনাই যে জৰুৰী কামত আৰ্থিক সাহায্য প্ৰদানৰ লগতে পথ যোগাযোগ ব্যৱস্থা পুনৰ সূচল কৰাৰ কাৰণে ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ দিছে।

ইপিনে, চুংথাং পুনঃসংযোগ কৰিবৰ বাবে অস্থায়ী দলং নিৰ্মাণৰ কাম পূৰ্ণ গতিত চলি আছে। কেন্দ্ৰীয় চৰকাৰে ছিকিমত আকস্মিক বানৰ ফলত হোৱা ক্ষয় ক্ষতিৰ মূল্যায়নৰ বাবে এটা আন্তঃমন্ত্ৰালয় পৰ্যায়ৰ কেন্দ্ৰীয় দল গঠন কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ে কৈছে যে, দলটোৱে শীঘ্ৰে ৰাজ্যখনৰ প্ৰভাৱিত অঞ্চলসমূহ পৰিদৰ্শন কৰিব আৰু দলটোৰ মূল্যায়নৰ ভিত্তিত ছিকিমলৈ অতিৰিক্ত কেন্দ্ৰীয় সাহায্য অনুমোদন দিয়া হ'ব। কেন্দ্ৰীয় চৰকাৰে লগতে বান প্ৰভাৱিত ছিকিমলৈ প্ৰায় ৪৫ কোটি টকাৰ দুৰ্যোগ সাহায্য আগবঢ়োৱাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। ৰাজ্যখনত আকস্মিক বানৰ ফলত এতিয়ালৈকে ২ হাজাৰ ৪১৩ গৰাকী লোকক উদ্ধাৰ কৰা হৈছে, ২৬ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু সেনা জোৱান সহ ১৪১ জন লোক এতিয়াও সন্ধানহীন হৈ আছে।

০০০০০০০

**সমাপ্ত**